# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2024
**Time :** 1845 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

**:::::::::::::::::::::::::::::::::::**

## HEADLINES

১। ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৩৬ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা। ৩০ মাৰ্চ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

২। অসমৰ ৫খন আসনৰ লগতে মুঠ ৮৮খন আসনৰ দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি।

৩। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজ্যৰ আটাইবোৰ ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাৰ প্ৰচাৰ অভিযান অব্যাহত।

৪। নাগালেণ্ডৰ ৮খন আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত কেন্দ্ৰীয় চৰকাৰৰ সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ডেলহি কেপিটেলছৰ সন্মুখীন।

ooooo

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ অন্তত আজি ৩৬ খন মনোনয়ন বৈধ বিবেচিত হৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। ইয়াৰে শোণিতপুৰৰ আৰু কাজিৰঙা সমষ্টিৰ পৰা দাখিল কৰা এখনকৈ মনোনয়ন নাকচ কৰা হয়। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে আজি এইবিষয়ে প্ৰকাশ কৰিছে। এতিয়া মনোনয়ন পত্ৰসমূহ পৰীক্ষাৰ অন্তত কাজিৰঙা সমষ্টিত ১১ গৰাকী, শোণিতপুৰত ৮ গৰাকী, লখিমপুৰত ৯ গৰাকী, ডিব্ৰুগড়ত ৩ গৰাকী আৰু যোৰহাট লোকসভা সমষ্টিত ৫ গৰাকী প্ৰাৰ্থী আছে। অহা ৩০ মাৰ্চ অৰ্থাৎ শনিবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিক সামৰি লোৱা হ'ব। এই নিৰ্বাচনত বিজেপিৰ হৈ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ

সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছট্টিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

ooooo

প্ৰথম পৰ্যায়ত ৰাজ্যখনত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৫টা সমষ্টিৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযানে ক্ৰমাৎ গতি লাভ কৰিছে। আজি বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোলাঘাট জিলাৰ নুমলীগড়ত উপস্থিত হয়। ড° শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিয়ে গৰিষ্ঠ সংখ্যক আসন লাভ কৰিব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। তেওঁ ভালেসংখ্যক লোকৰ সৈতে মত বিনিময় কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি টিংখং বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি দুলীয়াজান আৰু নাহৰকটীয়া সমষ্টিত প্ৰচাৰ চলায়। ৰঙিয়াত আজি দৰং-ওদালগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সাংসদ দিলীপ শইকীয়াই প্ৰচাৰ চলায়। এই উপলক্ষে আয়োজিত বুথ সন্মিলনত তেওঁ দলীয় কৰ্মীসকলক সম্বোধন কৰে। সন্মিলনত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, ৰাজ্যসভাৰ সাংসদ ভূবনেশ্বৰ কলিতাৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। এই অনুষ্ঠানত যুৱ-কংগ্ৰেছৰ কেইবাগৰাকী নেতাই বিজেপিত যোগ দিয়ে। ইপিনে, যোৰহাট লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি শিৱসাগৰ জিলাৰ আমগুৰি আৰু শিৱসাগৰ দাঁতিকাষৰীয়া অঞ্চলত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে গৌৰীসাগৰ হাতীঘূলিৰ পৰা দিখৌমুখ অঞ্চললৈ প্ৰচাৰ চলায়। প্ৰাৰ্থীগৰাকীয়ে নিজৰ ভাষণত যোৰহাটৰ জনসাধাৰণে বিচাৰ-বিবেচনাৰে প্ৰাৰ্থী মূল্যায়ন কৰিব বুলি আশা প্ৰকাশ কৰে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ভকুৱামাৰীত আজি ইউ পি পি এল দলৰ এটা যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। ইপিনে, কৰিমগঞ্জ জিলাৰ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ কণীচাইলত আজি বিজেপিৰ প্ৰবীণ নেতা মিছনৰঞ্জন দাসে সাংসদ তথা দলীয় প্ৰাৰ্থী কৃপানাথ মল্লাৰ হৈ প্ৰচাৰ চলায়।

ooooo

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে চলচ্চিত্ৰ, সাংস্কৃতিক আৰু ক্ৰীড়া জগতৰ কেইবাগৰাকীও তাৰকাক প্ৰাৰ্থীত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। ইয়াৰ আগতেও চলচ্চিত্ৰ আৰু ক্ৰীড়া জগতৰ পৰা ভালেসংখ্যক তাৰকাই সংসদৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে। হেমামালিনী, জয়া বচ্চন, জয়াপ্ৰদা, জয়াললিতা,

নৱজিৎ সিং সিদ্ধু, গৌতম গম্ভীৰকে ধৰি ভালেসংখ্যক তাৰকাই সংসদত দেশক প্ৰতিনিধিত্ব কৰি আহিছে। শেহতীয়াকৈ এইবাৰ বিজেপিয়ে হিমাচল প্ৰদেশৰ মান্দি লোকসভা সমষ্টিৰ পৰা অভিনেত্ৰী কংগনা ৰানাৱাট, মীৰাট সমষ্টিৰ পৰা অভিনেতা অৰুণ গোভিলক প্ৰাৰ্থিত্ব দিছে। দলে শেহতীয়াকৈ ঘোষণা কৰা ১১১খন আসনৰ পঞ্চমখন প্ৰাৰ্থী তালিকাত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত হৈছে। ইপিনে, তৃণমূল কংগ্ৰেছে হুগলি সমষ্টিৰ পৰা বিজেপিৰ লোকেত চেতাৰ্জীৰ বিপৰীতে অভিনেত্ৰী ৰাস্না বেনাৰ্জীক প্ৰাৰ্থিত্ব দিছে। একেদৰে কৃষ্ণনগৰ সমষ্টিৰ পৰা তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰই ৰাজপৰিয়ালক প্ৰতিনিধিত্ব কৰা বিজেপিৰ অমৃতা ৰয়ৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে বৰ্ধমান সমষ্টিত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ ঘোষৰ বিৰুদ্ধে টি এম চিৰ হৈ প্ৰাক্তন ক্ৰিকেটাৰ কীৰ্তি আজাদে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। একেদৰে আছানছ'ল সমষ্টিত অভিনেতা শত্ৰুঘ্ন সিনহাক প্ৰাৰ্থিত্ব দিয়া হৈছে। ইপিনে বেহৰামপুৰ সমষ্টিত প্ৰাক্তন ক্ৰিকেটাৰ ইউছুফ পাঠানক টি এম চিয়ে প্ৰাৰ্থিত্ব দিছে। সমষ্টিটোত কংগ্ৰেছৰ ৰাজ্যিক মুৰব্বী তথা সাংসদ অধিৰৰঞ্জন চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বাংলা চলচ্চিত্ৰৰ তাৰকা দেৱক মেদিনীপুৰ সমষ্টিৰপৰা তৃণমূল কংগ্ৰেছে প্ৰাৰ্থিত্ব দিছে। তৃণমূল কংগ্ৰেছ দলে প্ৰাক্তন ফুটবলাৰ প্ৰসূন বেনাৰ্জীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে ভোজপুৰী গায়ক আৰু অভিনেতা মনোজ তিৱাৰীক বিজেপিয়ে উত্তৰ-পূব দিল্লীৰ পৰা আৰু ৰাধিকা শৰথকুমাৰক বিৰোধনগৰ সমষ্টিৰপৰা প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইপিনে, বিজেপিয়ে ভোজপুৰী তাৰকা ৰবি কিষাণক গোড়খপুৰৰ পৰা আৰু হেমামালিনীক মথুৰা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিছে। দলে পেৰা অলিম্পিয়ান দেৱেন্দ্ৰ ঝাঝৰিয়াক ৰাজস্থানৰ চুৰু সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিছে। আজি কিছুসময়ৰ পূৰ্বে অভিনেতা গোবিন্দই শিৱসেনাৰ সিন্দেৰ গোটত যোগদান কৰিছে। কংগ্ৰেছৰ প্ৰাক্তন সাংসদগৰাকীয়ে এইবাৰ লোকসভা নিৰ্বাচনত প্ৰতিনিধিত্ব কৰাৰ সম্ভাৱনা আছে। কেৰালাৰ ত্ৰিশূড় সমষ্টিৰ পৰা অভিনেতা সুৰেশ গোপীয়ে বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব। কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে যোৱাবাৰৰ দৰে আমেথি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

ooooo

দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে চি ভিজিল নামৰ এটা উদ্ভাৱনীমূলক মোবাইল এপ্লিকেশ্বন ব্যৱহাৰ কৰি আহিছে। চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এই এপ্লিকেশ্বনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে। এই এপটোৰ বিশেষত্ব হৈছে ইয়াৰ সহায়ত স্বতঃস্ফুতভাৱে নিৰ্দিষ্ট স্থানৰ পৰা পোনপতীয়াকৈ ফটো বা ভিডিঅ'হে পঠিয়াব পৰা যায়। ইয়াৰ ফলত ফ্লাইং স্কোৱাদ বা নিৰীক্ষণকাৰী আৰক্ষীৰ দলসমূহে এনে ঘটনা ততালিকে ধৰা পেলোৱাৰ বাবে সমল লাভ কৰে। যিকোনো এনড্ৰইদ মোবা্ইল বা স্মাৰ্ট ফোনত এই এপটো ডাউললোড কৰি জনসাধাৰণে সহজে ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে লগতে যিকোনো ধৰণৰ ৰাজনৈতিক অসাধু আচৰণ, ভোটাৰক প্ৰলোভিত কৰিবলৈ সামগ্ৰী প্ৰদান বা বিভিন্ন ধৰণে প্ৰৰোচিত কৰাৰ প্ৰমাণ এই এপযোগে প্ৰেৰণ কৰিব পাৰে। এই এপটোৱে জিলা নিয়ন্ত্ৰণ কক্ষ, নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচন পৰিচালনাৰ বাবে বহিঃক্ষেত্ৰত নিয়োজিত বিভিন্ন গোট যেনে- ফ্লাইং স্কোৱাদ, নিৰীক্ষণ দল আদিক তথ্য প্ৰেৰণ কৰে। জনসাধাৰণে ইয়াৰ বাবে এনে আইন উলংঘাকাৰী ঘটনাৰ ফটো

বা ২ মিনিটৰ ভিডিঅ' এপযোগে আপলোড কৰি এনে অবাঞ্চিত ঘটনা ৰোধ কৰিব পাৰে। এই ক্ষেত্ৰত তথ্য প্ৰেৰণ কৰোতাগৰাকীৰ নাম পৰিচয় আদি গোপনে ৰখা হ'ব বুলিও আয়োগে প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে কালি নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত বিৰোধীয়ে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে বুলি কৰা মন্তব্যৰ আম আদমী পাৰ্টীয়ে বিৰোধিতা কৰিছে। দলটোৰ ৰাজ্যিক নেতা হেমন্ত ফুকনে এখন সংবাদমেল আয়োজন কৰি নাগৰিকত্ব সংশোধনী আইন উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ থকাৰ সময়তে ইয়াক বলৱৎ কৰা হৈছে বুলি শ্ৰী সোণোৱালক প্ৰশ্ন কৰিছে। আনহাতে, বিজেপিয়ে কৈছে যে এই আইনখনক লৈ আম আদমী পাৰ্টীয়ে বিজেপিয়ে অপ-প্ৰচাৰ কৰা বুলি মন্তব্য কৰিছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আওতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা এখন জাননীযোগে কোৱা হৈছে যে নাগালেণ্ডৰ ডিমাপুৰ, নিউলেণ্ড, চুমৌকেডিমা, মন, কিফিৰে, নকলাক, ফেক আৰু পেৰেন জিলা তথা আন ৫ খন জিলাৰ ২১ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহত ছমাহৰ বাবে বিক্ষিপ্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ জিলা প্ৰশাসনসমূহে তৎপৰতাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনৰ বাবে কাজিৰঙা লোকসভা সমষ্টিৰ সাধাৰণ পৰ্যৱেক্ষক শ্ৰী এম জে প্ৰদীপ চান্দ্ৰেনে আজি গোলাঘাট জিলাৰ নিৰ্বাচনী কোষসমূহ পৰিদৰ্শন কৰাৰ লগতে জিলা নিৰ্বাচনী বিষয়া আৰু অন্যান্য কোষৰ দায়িত্বত থকা বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ লগতে তেওঁ জিলাখনত চলি থকা নিৰ্বাচনী কাম-কাজসমূহৰ বুজ লয়। সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়াটো নিকা-স্বচ্ছ আৰু সুচাৰুৰূপে চলাবৰ বাবে তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে জিলাখনৰ লোকসকলে নিৰ্বাচন সম্বন্ধীয় তথ্যৰ বাবে 6000671450 নম্বৰত যোগাযোগ কৰিব পাৰিব। লগতে নিৰ্বাচন সম্বন্ধীয় যিকোনো অভিযোগ দাখিল কৰিব বাবে নিয়ন্ত্ৰণকক্ষৰ 0377 4283282 নম্বৰত যোগাযোগ কৰিব পাৰিব।

একেদৰে লখিমপুৰ লোকসভা সমষ্টিৰ বাবে নিয়োজিত নিৰ্বাচনী সাধাৰণ পৰ্যৱেক্ষক সন্দীপ জনাৰ্দনপণ্ট সাগলে জিলাখনত উপস্থিত হৈ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। ৰাইজে সমষ্টিটোৰ নিৰ্বাচন সম্পৰ্কীয় যিকোনো বিষয় বা অভিযোগ সম্পৰ্কত পৰ্যবেক্ষকগৰাকীক ৭০০২৫১৮৪২০ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব। তদুপৰি জনসাধাৰণে পৰ্যৱেক্ষকগৰাকীক আৱৰ্ত ভৱনত পুৱা ১১ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ সাক্ষাৎ কৰিব পাৰি।

ইপিনে ডিব্ৰুগড় জিলাত নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেন-ডেন, ভোটাৰক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যেৰে আদৰ্শ আচৰণবিধি কোষে সক্ৰিয় ভূমিকা পালন কৰিছে। জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিত নিয়োজিত ষ্টেটিক ছাৰ্ভিলেন্স দল, ফ্লায়িং স্কোৱাড আৰু ভিডিঅ' ছাৰ্ভিলেন্স দলসমূহে নিয়মীয়া তালাচী চলোৱাৰ লগতে আচৰণবিধি উলংঘনৰ ঘটনা

ৰোধ কৰাৰ বাবে কাম কৰি আছে। ষ্টেটিক ছাৰ্ভিলেন্সৰ দলে শিৱসাগৰৰ পৰা তিনিচুকীয়ালৈ গৈ থকা অৱস্থাত এজন লোকৰ পৰা প্ৰায় ৭০ হাজাৰ টকা জব্দ কৰাৰ লগতে ফ্লায়িং স্কোৱাডৰ দলে মৰাণৰ পৰা ডিব্ৰুগড় অভিমুখী এখন বাহনৰ পৰা ৭১ হাজাৰ টকা উদ্ধাৰ কৰে। আনহাতে খনিকৰ চাৰিআলিত ফ্লায়িং স্কোৱাডৰ দলে তালাচী চলাই এখন বাহনৰ পৰা প্ৰায় ৫ লাখ টকা জব্দ কৰে।

আনহাতে আসন্ন নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ বাবে কৰিমগঞ্জ জিলাৰ দণ্ডাধীশে আয়ুক্ত কাৰ্যালয়ৰ চৌহদৰ ১০০ মিটাৰ ব্যাসাৰ্ধ এলেকা ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰাৰ কিছু নিষেধাজ্ঞা আৰোপ কৰিছে। নিৰ্দেশনা অনুসৰি আজিৰ পৰা ৪ এপ্ৰিললৈ প্ৰাৰ্থীকৈ ধৰি ৫ জন ব্যক্তিকহে জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰৱেশৰ অনুমতি দিয়া হ'ব। ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ৰ চৌহদৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো লোকে বাহন ৰখাব নোৱাৰিব। কোনো ব্যক্তিয়ে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পৰা লাঠী বা অন্য কোনো সামগ্ৰি কঢ়িয়াব নোৱাৰিব। ইয়াৰ লগতে দুচকীয়া বাহনৰ চালক আৰু আৰোহীয়ে হেলমেট পৰিধান নকৰাকৈ বাহন চলাব নোৱাৰিব বুলি নিৰ্দেশ জাৰি কৰিছে।

০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ বাবে ৯ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ নাম পঞ্জীয়নৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা নিৰ্দেশনাত কেতবোৰ সংশোধন কৰিছে। পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি পঞ্জীয়নৰ বাবে ১১টা সংখ্যাৰ ইউ ডাইচ কোড বাধ্যতামূলক কৰা হৈছে। কোনো বিদ্যালয়ৰ ইউ ডাইচ কোড নাথাকিলে তেওঁলোকে আবেদন কৰা বুলি উল্লেখ কৰিব লাগিব। এই কোড নথকা বিদ্যালয়সমূহক শীঘ্ৰেই সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্দেশনা অনুসৰি ইউ ডাইচ কোড নথকা শিক্ষানুষ্ঠানে পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন অব্যাহত ৰাখিব নোৱাৰিব। অধীসূচনা অনুসৰি প্ৰত্যেকগৰাকী শিক্ষাৰ্থীৰ নাম পঞ্জীয়নৰ সময়ত গুণোৎসৱ বা শিক্ষা সেতুত ব্যৱহাৰ কৰা অষ্টম শ্ৰেণীৰ ১৭টা সংখ্যাৰ আইডি প্ৰদান কৰিব লাগিব। শিক্ষাৰ্থীৰ এই আইডি নাথাকিলে নিৰ্ধাৰিত স্থানত উপলব্ধ নহয় বুলি বিদ্যালয়সমূহে উল্লেখ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ ১৭টা সংখ্যাৰ আইডি নথকা ব্যক্তিগতখণ্ডৰ বিদ্যালয় আৰু অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহকো পঞ্জীয়নৰ সময়ত উপলব্ধ নহয় বুলি সন্নিৱিষ্ট কৰিবলৈ অধীসূচনা যোগে নিৰ্দেশ দিয়া হৈছে। আনহাতে মাধ্যমিক শিক্ষা পৰিষদে ছাত্ৰ-ছাত্ৰীৰ নৱম শ্ৰেণীৰ নামভৰ্তিৰ সময়ত অষ্টম শ্ৰেণীৰ মাৰ্কশ্বিট, প্ৰমাণ পত্ৰ, ৰিপোৰ্ট কাৰ্ড সংগ্ৰহ কৰি সেয়া কাৰ্যালয়ৰ নথি হিচাপে ৰাখিবলৈ শিক্ষানুষ্ঠানসমূহক নিৰ্দেশ দিছে।

০০০০০

দিল্লীৰ আদালতে সুৰা নীতি কেলেংকাৰী গোচৰত গ্ৰেপ্তাৰ হোৱা অৰবিন্দ কেজৰিৱালৰ বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মাৰ ম্যাদ ৪ দিনলৈ বৃদ্ধি কৰিছে। অভিযুক্ত মুখ্যমন্ত্ৰীগৰাকী অহা ১ এপ্ৰিললৈ বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মাত থাকিব। উল্লেখযোগ্য যে ৬ দিনৰ জিম্মাৰ অন্তত কেজৰিৱালক আজি ৰাউচ এভিনিউ আদালতত হাজিৰ কৰোৱা হয়।

০০০০০

নতুন দিল্লী বোলছবি মহোৎসৱ ২০২৪ত অসম আৰক্ষীৰ সঞ্চালক জি পি সিং প্ৰযোজিত আৰু ড০ পাৰ্থসাৰথি মহন্তৰ দ্বাৰা পৰিচালিত চুটি ছবি ফেহুঁজালি প্ৰদৰ্শিত কৰা হয়। চিনেমা সমালোচকৰ সন্মুখত প্ৰদৰ্শিত তথ্য চিত্ৰখনে শ্ৰেষ্ঠ চুটি তথ্যচিত্ৰৰ ড০ জ'ভিয়েল কলিতাই ইংৰাজীলৈ অনুবাদ কৰিছে।

০০০০০

থলুৱা শিপিনীৰ দ্বাৰা উৎপাদিত গামোচাৰ প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ উদ্যোগত গোলাঘাট জিলাৰ বোকাখাটত গামোচা মেলা অনুষ্ঠিত হৈছে। জিলাখনৰ ১৬ হাজাৰ শিপিনীয়ে এই মেলাৰ বাবে হস্ততাঁত বস্ত্ৰ শিল্প বিভাগত পঞ্জীয়ন কৰিছিল। গামোচা মেলাৰ জৰিয়তে জিলাখনৰ ভিন্ন স্থানত বিপণীকেন্দ্ৰ স্থাপন কৰি এই শিপিনীসকলে বোৱা গামোচা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

গুৱাহাটী মহানগৰীৰ লক্ষীৰাম বৰুৱা সদনত অহা ৩১ মাৰ্চত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী পদ্মশ্ৰী ড০ লীলা বৰঠাকুৰৰ জীৱনিভিত্তিক এখন তথ্যচিত্ৰ উন্মোচন কৰা হ'ব। নলবাৰী জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী মৰমী শৰ্মাই লিখা উপন্যাসৰ আধাৰ ড০ সঞ্জীৱ বৰঠাকুৰে এই তথ্যচিত্ৰখন প্ৰস্তুত কৰি উলিয়াইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে।

০০০০০

ঃসমাপ্তঃ